যিয়ে পৃথিৱীত কোনো ব্যক্তিৰ দোষ-ত্ৰুটি গোপন ৰাখে, কিয়ামতৰ দিনা আল্লাহে সেই ব্যক্তিৰ দোষ-ত্ৰুটি গোপন ৰাখিব।

আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "যিয়ে পৃথিৱীত কোনো ব্যক্তিৰ দোষ-ত্ৰুটি গোপন ৰাখে, কিয়ামতৰ দিনা আল্লাহে সেই ব্যক্তিৰ দোষ-ত্ৰুটি গোপন ৰাখিব।" [ছহীহ] [(মুছলিম)]

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে হাদীছটোত উল্লেখ কৰিছে যে, যি ব্যক্তিয়ে কোনো মুছলিম ভাতৃৰ কোনো দোষ গোপন কৰিব, কিয়ামতৰ দিনা সৰ্বশক্তিমান আল্লাহে সেই ব্যক্তিৰ ভুল-ভ্ৰান্তি গুনাহ আদি গোপন ৰাখিব। কিয়নো আমল অনুসৰিয়ে প্ৰতিদান দিয়া হয়। অৰ্থাৎ আল্লাহে তাৰ গুনাহ আদি হাশ্বৰৰ ময়দানত প্ৰকাশ নকৰিব। অথবা এনেকুৱাও হ'ব পাৰে যে, আল্লাহে তাৰ সেই গুনাহৰ বাবে জবাবদিহি নকৰিব।

http://sunnah.global/hadeeth/as/show/3777